## সম্পাদনা সমিতি



বহি থকাজনৰ পৰা ক্ৰমে- ড০ ললিত চন্দ্ৰ ৰাভা (শিক্ষক সদস্য), যতীন চন্দ্ৰ মেধি (তত্বাৱধায়ক), ড০ নৃপেন গোস্বামী (সভাপতি), পুলক তালুকদাৰ (শিক্ষক সদস্য), বড়ো (শিক্ষক সদস্য), থিয় হৈ ক্ৰমে বাজু বৰ্মণ (সহকাৰী সম্পাদক), কুশল ৰাভা (সদস্য), পৰীস্মিতা দাস (সম্পাদক), ফটোত অনুপস্থিত ভবেশ চন্দ্ৰ গোস্বামী (উপ-স

## তত্বাৱধায়কৰ সৈতে ছাত্ৰ একতা সভা



বহি থকাজনৰ পৰা ক্ৰমে- ড০ ৰেখা ছেত্ৰী (তত্বাৱধায়ক তৰ্ক আৰু আলোচনা চক্ৰ) , ৰত্না মালা শৰ্মা (তত্বাৱধায়ক ছাত্ৰী জিৰণি কোঠা), মঞ্জিৰা শৰ্মা (তত্বাৱধায়ক বিভাগ), ড০ নৃপেন গোস্বামী (সভাপতি), ড০ ক্ষীৰোদ চন্দ্ৰ ঠাকুৰীয়া (তত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা), প্ৰহলাদ ভৰালী (তত্বাৱধায়ক সমাজসেৱা), যতীন চন্দ্ৰ মেধি (তত্বা আলোচনী), মনোজ কুমাৰ দাস (তত্বাৱধায়ক খেল বিভাগ), থিয় হৈ থকাজনৰ পৰা ক্ৰমে - গীতিকা তালুকদাৰ (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), মৃনাল বড়ো ( সাংস্কৃতিক বিভাগ); কুশল ৰাভা (সাধাৰণ সম্পাদক), প্ৰান্তিক কলিতা (সহকাৰী সাঃ সম্পাদক), মনমোহন ৰাভা (সম্পাদক, সমাজসেৱা বিভাগ), বাজু বৰ্মণ (সহ আলোচনী), বিকাশ বড়ো (সম্পাদক, খেল বিভাগ), পৰীস্মিতা দাস (সম্পাদক, আলোচনী) ফটোত অনুপস্থিত - ভবেশ চন্দ্ৰ গোস্বামী (উপ-সভাপতি), পিনাকী (তত্বাৱধায়ক ক্ৰীড়া বিভাগ), নীৰোজ পাঠক (উপ-সভাপতি, ছাত্ৰ), ডিম্পী দাস (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ), তপ্ৰন ডেকা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা),

# জৱাহৰজ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

পঞ্চত্ৰিংশ সংখ্যা ঃ ২০১২-১৩ ইং. বৰ্ষ

# JAWAHARLAL NEHRU COLLEGE, BOKO

MAGAZINE, VOL. : XXXV SESSION : 2012-13

প্ৰীতি আৰু শুভেচ্ছাৰে—

প্ৰতি

______________________

______________________


যতীন চন্দ্ৰ মেধি
তত্বাৱধায়ক

পবীস্মিতা দাস
সম্পাদক

ৰাজু বৰ্মন
সহঃ সম্পাদক

**JAWAHARJYOTI :** Jawaharjyoti Vol.- XXXV, the Magazine of Jawaharlal Nehru College, Boko, published by Parismita Das and Raju Barman of behalf of Students Union, 2012-13

## জৱাহৰজ্যোতি প্ৰকাশৰ বাটত ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° নৃপেন গোস্বামী, অধ্যক্ষ |
| উপ-সভাপতি | ঃ | ভৱেশ চন্দ্ৰ গোস্বামী, উপাধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | যতীন চন্দ্ৰ মেধি |
| সম্পাদক | ঃ | পৰীস্মিতা দাস |
| সহঃ সম্পাদক | ঃ | ৰাজু বৰ্মন |
| শিক্ষক সদস্য | ঃ | ড° ললিত চন্দ্ৰ ৰাভা |
| | | পুলক তালুকদাৰ |
| | | ভৈৰৱী বড়ো |
| ছাত্ৰ সদস্য | ঃ | কুশল বড়ো (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা) |
| প্ৰচ্ছদ | ঃ | লোহিত ৰাজবংশী |
| অংগ সজ্জা | ঃ | ৰিজু চহৰীয়া |
| | | ধ্ৰীৰাজ কুমাৰ দাস |
| অক্ষৰ বিন্যাস | ঃ | গৌতম কুমাৰ |
| আৰ্হি কাকত চাওতা | ঃ | সম্পাদনা সমিতি |
| স্কেটচ্ | ঃ | ইন্টাৰনেট |
| মুদ্ৰণ | ঃ | চণ্ডিকা অফছেট প্ৰেছ, ছয়গাঁও |
| | | ফোন- ৯৮৬৪২৬৮৯২৩ |

# শ্ৰদ্ধাঞ্জলী জ্ঞাপন

এই শিক্ষাবৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ শিক্ষা সতীৰ্থ তথা অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক, শ্ৰদ্ধাৰ শিক্ষাগুৰু অৰুণ চন্দ্ৰ পাটোৱাৰীলৈ অশ্ৰু অঞ্জলি জ্ঞাপন কৰিছো।

লগতে ২০১২-১৩ বৰ্ষত মৃত্যুক সাৱটি লোৱা শিক্ষা, সংস্কৃতি, সাহিত্য আৰু বিভিন্ন সমাজসেৱাৰ স'তে জড়িত জ্ঞাত-অজ্ঞাত প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলী যাচিছোঁ।

সম্পাদনা সমিতি

জৱাহৰজ্যোতি

# কৃতজ্ঞতাৰ শৰাই

জৱাহৰজ্যোতি প্ৰকাশৰ পথত প্ৰতিটো খোজতে বিভিন্ন দিহা-পৰামৰ্শৰে আমাক আগবাঢ়ি যোৱাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন গোস্বামী ছাৰ, উপাধ্যক্ষ ভৱেশ চন্দ্ৰ গোস্বামী ছাৰ, তত্ত্বাৱধায়ক যতীন চন্দ্ৰ মেধি ছাৰ, লগতে ড° ললিত চন্দ্ৰ ৰাভা ছাৰ, পুলক তালুকদাৰ ছাৰ, ভৈৰৱী বড়ো বাইদেউ, বিজয়া ডেকা বাইদেউ, ড° প্ৰাণেশ্বৰ নাথ ছাৰ আৰু মোৰ আতা (ককা) পদ্মৰাম মহন্তলৈ কৃতজ্ঞতা জনালো।


যিসকলৰ লিখনিয়ে জৱাহৰজ্যোতিক পূৰ্ণাংগ আলোচনীৰ ৰূপত সজাই তুলিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। বেটুপাতৰ শিল্পী লোহিত ৰাজবংশী আৰু চণ্ডিকা অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত সকলো ধৰণৰ সমস্যা সমাধান কৰি আগবাঢ়ি যোৱাত উৎসাহ জনোৱা মোৰ প্ৰতি মৰমৰ বন্ধু-বান্ধৱী সমীৰ, সঞ্জীৱ, নিপজ্যোতি, ধৃতিময়, চন্দনা, জাহ্নবী, বিউটী, বৰষা, বনজিৎ, হৃদয়, ৰূপম আৰু সহকাৰী সম্পাদক ৰাজু বৰ্মনৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যক আন্তৰিক ধন্যবাদ জনাইছো।

মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী হৈ ৰ'লো।

অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

**সম্পাদক**



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ
ড০ নৃপেন গোস্বামী

# মহাবিদ্যালয়ৰ গৌৰৱ



জাহানাৰা বেগম
ডিষ্টিংচন সহ প্ৰথম শ্ৰেণীৰ স্নাতক *(ইতিহাস বিভাগ)*



গীতা মহন্ত
প্ৰথম শ্ৰেণীৰ স্নাতক
*(ইতিহাস বিভাগ)*




অঞ্চুমা বসুমতাৰী
প্ৰথম শ্ৰেণীৰ স্নাতক
*(ভূগোল বিভাগ)*



কল্পনা দেৱী
প্ৰথম শ্ৰেণীৰ স্নাতক
*(ভূগোল বিভাগ)*




নবনীতা ৰাভা
শ্ৰেষ্ঠা খেলুৱৈ



ৰূপজ্যোতি বড়ো
শ্ৰেষ্ঠ খেলুৱৈ



বিউটি ৰয়
শ্ৰেষ্ঠা অভিনেত্ৰী



বাবুল কৈৱৰ্ত্ত
শ্ৰেষ্ঠ কণ্ঠ শিল্পী




**মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আয়োজিত সমবেত সঙ্গীত প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত মহাবিদ্যালয়ৰ দলটো**



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্য দল

# সম্পাদকীয়



আমাৰ এন্ধাৰ মন-মগজুত
জ্বলাই দিলা জ্ঞানৰ এগছি চাকি
তোমাৰ হৃদয়ৰ আলোকেৰে আজি
আমাৰ জীৱন উঠিছে উজ্বলি

নিজৰ হৃদয়ৰ আলোকেৰে আনৰ জীৱন পোহৰাবলৈ যিসকল ব্যক্তিয়ে আজি পঞ্চাশ বছৰ আগতেই অশেষ ত্যাগ আৰু যত্নসহকাৰে বকো অঞ্চলৰ এই উচ্চ শিক্ষানুষ্ঠানখনি গঢ়ি তুলিছিল তেওঁলোকলৈ জনাইছো শত সহস্ৰ প্ৰণাম। যিসকল ব্যক্তিয়ে আজিও মহাবিদ্যালয়খনলৈ আন্তৰিকতাৰে সেৱা আগবঢ়াই আছে তেওঁলোকলৈ জনাইছো কৃতজ্ঞতা। জৱাহৰলাল নেহৰু মহাবিদ্যালখনে সোণালী জয়ন্তী বৰ্ষত ভৰি দিলেহি, বকোবাসী আজি গৌৰবান্বিত।

জৱাহৰজ্যোতি। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী। সাহিত্যৰ প্ৰেমিক এজাক ল'ৰা-ছোৱালীৰ তৃষ্ণা দূৰ কৰে জৱাহৰজ্যোতিয়ে। পৈণত অপৈণত হাতবোৰে কলম তুলি লয় জৱাহৰজ্যোতিৰ বাবে। জৱাহৰজ্যোতিৰ পাতত বিয়পাই দিয়ে তেওঁলোকৰ অনুভৱ, তেওঁলোকৰ জ্ঞান। ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভা বিকাশৰ এখনি সুন্দৰ মঞ্চ জৱাহৰজ্যোতি। যিসকলৰ লেখনি উপযুক্ত বুলি বিবেচিত নহ'ল তেওঁলোকক ক'ব বিচাৰো, কিছু অধ্যয়নৰ অভাৱে তেওঁলোকক অপূৰ্ণ কৰি ৰাখিছে। সু-সাহিত্য সৃষ্টিৰ বাবে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা অধিক। অধ্যয়নৰ মাজেৰে তথা সাধনাৰে আগবাঢ়ি গ'লে জৱাহৰজ্যোতিৰ পাতৰ পৰা বহুকেইজন সু-সাহিত্যিক ভৱিষ্যতে আমি পাম বুলি আশা কৰিব পাৰো।

একবিংশ শতিকাৰ আধুনিক সমাজ। আধুনিকতাৰ ঢৌত উটি যাব খোজে সকলোৰে। বয়োজ্যেষ্ঠ সকলে দোষাৰোপ কৰা দেখা যায় যুৱক-যুৱতী সকলক। তেওঁলোকে ক'ব বিচাৰে- আজিৰ যুৱক-যুৱতীৰ নৈতিকতাৰ জ্ঞান নাই, তেওঁলোকৰ কথা-বতৰা, সাজ-পাৰ মাৰ্জিত নহয়, তেওঁলোক বিশৃংখল ইত্যাদি ইত্যাদি। আনহাতে, যুৱক-যুৱতী সকলে কয়-"আমাৰ এই বিশৃংখলতাৰ বাবে দায়ী অগ্ৰজসকল। অগ্ৰজসকলে উপহাৰ দিছে আমাক এটি বিশৃংখল পৰিবেশ।"

ভাবি চাওঁ, কথাষাৰ সম্পূৰ্ণ অসত্য নহয় যেন লাগে। আজিৰ এই হত্যা-হিংসা, দুৰ্নীতিৰে ভৰা অসমখনত অগ্ৰজসকলেই জানো পথ দেখুওৱা নাই যুৱ প্ৰজন্মক দুৰ্নীতিৰ পথত খোজ দিবলৈ? যিখন দেশত বোমা-বাৰুদৰ শব্দৰে ৰাতিপুৱা আৰম্ভ হয়, যিখন দেশত ঘোঁচ নিদিয়াকৈ এটা চৰকাৰী চাকৰি যোগ্যজনে নাপায়, সেইখন দেশত নৈতিক মূল্যবোধৰ স্থান ক'ত? নেতৃত্বহীন, অভিভাৱকত্বহীন আজি আমাৰ সমাজ। এই সমাজত শিশুৰ সুস্থ বিকাশ সম্ভৱনে?

কিন্তু, অগ্ৰজসকলৰ ওপৰত অভিযোগ জাপি দি এই পৰিবেশৰ মাজত নিজকে বিলিন কৰি দিয়াটো জানো যুৱ-সমাজৰ বাবে উচিত? জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ লগতে যুৱ-সমাজৰ প্ৰতিজন প্ৰতিনিধিকে ক'ব বিচাৰো- আমাৰ নিজকে প্ৰমাণ কৰাৰ সময় সমাগত। যুৱ-সমাজক বিশৃংখল বুলি অভিযোগ কৰা প্ৰতিজনকে আমি দেখুৱাই দিয়া উচিত আমাৰ দায়বদ্ধতা, কৰ্তব্যপৰায়ণতা। সমাজৰ ভদ্ৰতাৰ আঁৰত থকা মুখাবোৰ খুলিবলৈ আমি ঐক্যবদ্ধ হ'ব লাগিব। আহক, সকলোৰে আগবাঢ়ি যাওঁ নিজৰ পথেৰে...।

ধন্যবাদেৰে—

পৰীস্মিতা দাস

# সূচীপত্র


অসমীয়া বিভাগ

প্ৰজ্ঞান আলোক

❊ বৰ্তমান শিক্ষাত গান্ধীবাদী আদৰ্শৰ প্ৰয়োজনীয়তা/কুশল কুমাৰ ৰাভা/১

❊ লা বা লাহ্য ঃ দক্ষিণ কামৰূপৰ মুখ্য ৰপ্তানিজাত সামগ্ৰী হ'ব পাৰে/কুলেন্দু কলিতা/৩

❊ শিশু সাহিত্য/বিজয়া ডেকা/৭

❊ ধৰ্ম আৰু ভাষা ঃ এক সমাজ-ভাষাতাত্বিক অধ্যয়ন/ড° ললিত চন্দ্ৰ ৰাভা /৯

❊ ভাৰতবৰ্ষৰ জনজাতিসকলৰ স্বায়ত্ত শাসনৰ প্ৰয়োজনীতা/মনমোহন ৰাভা/১৩

❊ দাদা চাহেব ফাল্কে/লক্ষীমা ৰাভা/১৫

❊ হনুমান মুদ্ৰা আৰু টোটেং/সঞ্জয় মেধি/১৬

❊ নংয়াঙৰ ইপাৰে সিপাৰে/ড° কমলেশ্বৰ ঠাকুৰীয়া/১৮

❊ অসমৰ সমাজ জীৱনলৈ ড° ভূপেন হাজৰিকাৰ অৱদান/মৃদুস্মিতা ভট্টাচাৰ্য্য/২২

❊ অসমৰ সমাজ জীৱনলৈ ড° ভূপেন হাজৰিকাৰ অৱদান/ডিম্পী দাস/২৪

❊ অসমৰ সমাজ জীৱনলৈ ড° ভূপেন হাজৰিকাৰ অৱদান/পুষ্পাঞ্জলী ৰাভা/২৬

❊ কাগজৰ উৎপত্তি/বিদ্যুত সূত্ৰধৰ/২৯

❊ মহান বিজ্ঞানীৰ মহান চিন্তা/বিদ্যুত কাকতি/৩০

❊ হিংসা নহয় আমাক শান্তি লাগে/পাপৰি নাথ/৩১

❊ ছাৰ আইজাক নিউটন/পদ্মলোচন ৰাভা/৩৩

❊ লোক সমাজত নিচুকনি গীত/পল্লৱী ৰাভা/৩৫

❊ প্ৰাৰ্থনা এক শক্তি/হীৰামণি দেৱী/৩৬

❊ জ্যোতিৰ জ্যোতি, ৰাভাৰ আভা আৰু সুধাকণ্ঠৰ মানৱতাৰে আকৌ দীপ্তমান হওঁক.../ড° প্ৰাণেশ্বৰ নাথ/৩৭

❊ কলেজৰ প্ৰথম খোজলৈ এভুমুকি/মানৱ কলিতা/৪০

❊ শেহতীয়াকৈ পঢ়া গ্ৰন্থৰ উপলব্ধি/মনামী ডেকা/৪২

❊ Thinking Day/জুনমণি বড়ো/৪৫

❊ নৱাগত আদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকা আৰু মোৰ অনুভৱ/ধৃতিময় দাস/৪৬

কাব্য কানন (৪৮-৬০)

পৰীস্মিতা দাস, সুভম ভদ্ৰ, নৱজ্যোতি কলিতা, ৰুমী দাস, নিপজ্যোতি বৰ্মণ, বিউটি গগৈ, অনামিকা কলিতা, অনুস্মিতা কলিতা, ময়ুৰী দাস, মৰমী বসুমতাৰী, কৰবী দাস, শুদ্ধদেৱ বসুমতাৰী, তপন ডেকা, শিল্পীশিখা ৰাভা, মৌচুমী ৰাভা, গোবিন্দ বড়ো, নন্দা দেৱী, কুঞ্জ নীলিম দাস, প্ৰেমিনা ৰাভা, সংগীতা বড়ো, আকবৰ আলী, পুষ্পাঞ্জলী ৰাভা, নৱদীপ ৰাভা, জাহ্নৱী ৰাজবংশী।

গল্পাঞ্জলী (৬১-৭৩)

❊ সপোন — গীতুমণি দাস ❊ ডায়েৰীৰ এখিলা পাত — বৰষা পাটোৱাৰী ❊ সপোনৰ কাবেং — মৃদুস্মিতা ভট্টাচাৰ্য্য ❊ শব্দ — ডালিমী ছেত্ৰী, ❊ শ্বেক্সপীয়েৰ ইন বকো — পুলক তালুকদাৰ ❊ মাতৃস্নেহ — পৰীস্মিতা দাস ❊ মাতৃস্নেহ —নয়নমণি নাথ ❊ মাতৃস্নেহ — সুভম ভদ্ৰ

বিবিধা (৭৪)

মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেত্ৰী বিউটী ৰয়ৰ স'তে এখন্তেক

সোঁৱৰণীয়ে ৰিঙিয়াই.... (প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুভৱেৰে ) ৭৫-৮১

শ্যামলীমা দাস, জগদীশ কলিতা, হৰকুমাৰ কলিতা, অনুপম কলিতা, কৰুণা কলিতা, চয়ানিকা দাস, যতীন ৰাভা

প্ৰাচীৰ পত্ৰিকাৰ পৰা (৮২-৮৬)

হীৰামণি দেৱী, ভূপালী পাটোৱাৰী, জাহ্নৱী ৰাজবংশী, শিল্পীশিখা ৰাভা, অজন্তা ৰাভা, বৰ্ণালী ছেত্ৰী, পৰীস্মিতা দাস, Boronya R. Marak, অজয় ৰাভা, জুনু বড়ো

একাংকিকা নাট ঃ 'পৰিণতি' - পবিত্ৰ কৈৱৰ্ত্ত/৮৭

জীৱনৰ বাবে কেইটামান সৰু কিন্তু প্ৰয়োজনীয় কথা-(সংগ্ৰহ) ৰূপম কলিতা/৮৯

জানো আহক (বিষয়ঃ গছ আৰু ফল)-(সংগ্ৰহ) বনজিত কলিতা/৯০

কুইজ-(সংগ্ৰহ) বিশ্বজিৎ সূত্ৰধৰ/৯০

বন্ধুত্বৰ কিছু কথা-(সংগ্ৰহ) সমীৰ কলিতা/৯০

সাঁথৰ আৰু কৌতুক-(সংগ্ৰহ) লিন্ময় তামুলী/৯১

মহৎ লোকৰ বাণী-(সংগ্ৰহ) ময়ুৰী দাস/৯২

কালজয়ী অমৰ বাণী-(সংগ্ৰহ) ভৱেশ মেধি/৯২

**ENGLISH SECTION** (93-106)

POEM : Cintu Dutta, Binita j. Marak, Sushmita Talukdar, Nabajyoti Kalita, Parismita Das, Arati Chetry

ARTICLE : Susmita Talukdar, Dr. Dipankar Sarma, Arati Chetry, Priyanka Basak, Seema Khakhlary, Pallabi Dutta Baruah, Dimpy Das, Sanjib Sarma

बर' (१०७-११६)

समाइश्री खाख्लाड़ी, बरदृइ बर', कंकना बर', अनिता डब्लिउ बर', भैरबी बर'

# বৰ্তমান শিক্ষাত গান্ধীবাদী আদৰ্শৰ প্ৰয়োজনীয়তা

কুশল কুমাৰ বাভা
স্নাতক দ্বিতীয় বৰ্ষ

উনবিংশ শতিকাত পৃথিৱীৰ ইতিহাসত সামাজিক জীৱনধাৰাৰ গতি সলনি কৰিব পৰা এনে এজন মহান ব্যক্তিৰ জন্ম হৈছিল যাৰ নাম হ'ল মহামানৱ মহাত্মা গান্ধী। মহাত্মা গান্ধীক ভাৰতৰ 'জাতিৰ পিতা' (Father of Nation) নামেৰে জনা যায়। তেওঁৰ প্ৰকৃত নাম আছিল মোহন দাস কৰমচাঁদ গান্ধী। গুজৰাটৰ পোৰবন্দৰ কাঠিয়াৱাৰ নামে ঠাইত ১৮৬৯ চনৰ ২ অক্টোবৰত এইগৰাকী মহান ব্যক্তিৰ জন্ম হয়। ১৮৮৭ চনত তেখেতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছিল। গান্ধীজীয়ে কলেজীয়া শিক্ষা শেষ কৰি বিলাতলৈ 'বেৰিষ্টাৰী' পঢ়িবলৈ যায়। 'বেৰিষ্টাৰী' পাছ কৰি ওকালতিত যোগদান কৰে যদিও সফল হ'ব পৰা নাছিল। ১৮৯৩ চনত গান্ধীজী দক্ষিণ আফ্ৰিকালৈ যায় আৰু তাত বিশ বছৰ থাকে। 'আধ্যাত্মিক অস্ত্ৰৰ' (Spiritual Weapon) সহায়ত ভাৰতক তেওঁ পুনৰ স্বাধীন কৰাৰ সন্ধান পাইছিল। দক্ষিণ আফ্ৰিকাত থকা কালছোৱাত তেওঁ 'টলষ্টয় ফাৰ্ম'ৰ মাধমেৰে ভাৰতীয় সকলক শিক্ষাৰ পোহৰলৈ আনিব বিচাৰিছিল। ১৯১৫ চনত তেওঁ ভাৰতলৈ ঘূৰি আহে। ১৯৪৭ চনৰ ১৫ আগষ্টত নানা প্ৰতিঘাতৰ মাজেৰে ভাৰত স্বাধীন হয়। ১৯৪৮ চনৰ ৩০ জানুৱাৰী তাৰিখে নাথুৰাম গড়চে নামৰ এজন হিন্দু যুৱকে মহাত্মা গান্ধীক হত্যা কৰে।

'নিউইয়ৰ্ক টাইমচ'ত মহাত্মা গান্ধীৰ মৃত্যু বিষয়ে লিখিছিল যে, 'He left his heritage a spiritual force that must in God's good time prevail over arms and armaments and dark doctrines of violence.'

মহাত্মা গান্ধীক জাতিৰ জনক আখ্যা দিয়াৰ মূলতে তেওঁৰ কৰ্মৰাজি। সত্য আৰু অহিংসাই আছিল তেওঁৰ জীৱনৰ মূলমন্ত্ৰ। মহাত্মা গান্ধীৰ জীৱন দৰ্শনত কেইবাটাও দাৰ্শনিক দিশে বিশেষভাৱে ৰেখাপাত কৰিছিল। সেইবোৰ হ'ল (ক) ভগৱানৰ প্ৰতি অগাধ বিশ্বাস (খ) সত্যৰ প্ৰতি বিশ্বাস (গ) অহিংসাৰ প্ৰতি বিশ্বাস (ঘ) সত্যাগ্ৰহৰ প্ৰয়োগ (ঙ) প্ৰেমৰ ধাৰণা (চ) ব্যক্তিৰ আধ্যাত্মিক প্ৰকৃতিৰ ওপৰত বিশ্বাস (ছ) আধ্যাত্মিক ধাৰণা।

> *মহাত্মা গান্ধীৰ দাৰ্শনিক চিন্তাধাৰাত প্ৰকৃতিবাদ, ভাববাদ আৰু প্ৰয়োগবাদ প্ৰকাশিত হৈছিল। প্ৰকৃতিবাদ, আদৰ্শবাদ আৰু প্ৰয়োগবাদৰ মাজত তেওঁ সকলোখিনি পাইছিল। এম.এচ. পেটেল নামৰ চিন্তাবিদগৰাকীয়ে লিখিছে — "Gandhiji's Philosophy of education is naturalistic in its setting idealistic in its aims and pragmatic in its method and programe of work" গান্ধীৰ চিন্তাধাৰাত প্ৰকৃতিবাদে যথেষ্ট ঠাই পাইছে। তেওঁৰ মতে শিশুক প্ৰকৃতিৰ মাজত ডাঙৰ হ'বলৈ দিব লাগে। মহাত্মা গান্ধীয়ে আধ্যাত্মিক ধাৰণাৰ মাজেৰে প্ৰকৃত সত্যত উপনীত হোৱাৰ পোষকতা কৰিছিল। মানুহে আধ্যাত্মিক উপলব্ধিৰ মাজেৰেহে জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হ'ব লাগিব। বৰ্তমান হিংসা, ধৰ্ষণ, ৰাজনৈতিক, কুসংস্কাৰ, লুণ্ঠন আদিৰে ভৰপুৰ সমাজত গান্ধীৰ আদৰ্শবাদ ধাৰণাৰ অতিকৈ প্ৰয়োজন।*

মহাত্মা গান্ধীৰ দাৰ্শনিক চিন্তাধাৰাত প্ৰকৃতিবাদ, ভাববাদ আৰু প্ৰয়োগবাদ প্ৰকাশিত হৈছিল। প্ৰকৃতিবাদ, আদৰ্শবাদ আৰু প্ৰয়োগবাদৰ মাজত তেওঁ সকলোখিনি পাইছিল। এম.এচ. পেটেল নামৰ চিন্তাবিদগৰাকীয়ে লিখিছে— "Gandhiji's Philosophy of education is naturalistic in its setting idealistic in its aims and pragmatic in its method and programe of work" গান্ধীৰ চিন্তাধাৰাত প্ৰকৃতিবাদে যথেষ্ট ঠাই পাইছে। তেওঁৰ মতে শিশুক প্ৰকৃতিৰ মাজত ডাঙৰ হ'বলৈ দিব লাগে। মহাত্মা গান্ধীয়ে আধ্যাত্মিক ধাৰণাৰ মাজেৰে প্ৰকৃত সত্যত

উপনীত হোৱাৰ পোষকতা কৰিছিল। মানুহে আধ্যাত্মিক উপলব্ধিৰ মাজেৰেহে জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হ'ব লাগিব। বৰ্তমান হিংসা, ধৰ্ষণ, ৰাজনৈতিক, কুসংস্কাৰ, লুণ্ঠন আদিৰে ভৰপুৰ সমাজত গান্ধীৰ আদৰ্শবাদ ধাৰণাৰ অতিকৈ প্ৰয়োজন। এই সমাজত মানুহৰ মনৰ আধ্যাত্মিক বিকাশ অবিহনে সমাজ পংগু হৈ যাব। গান্ধীৰ 'সৰ্বোদয় সমাজ' প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্য আছিল শ্ৰেণীহীন সমাজত ঠগ, প্ৰৱঞ্চক নাথাকিব; সকলোৰে সকলোকে সমভাৱেৰে চাব আৰু সত্যৰ মাজেৰে ভগৱানক উপলব্ধি কৰিব। আজিৰ সমাজত আমাৰ মাজত এনে ধাৰণাৰ খুবেই প্ৰয়োজন। শিক্ষাৰ প্ৰায়োগিক দিশটো গান্ধীজীয়ে গুৰুত্ব দিছিল। বৰ্তমান নিবনুৱাৰে ভৰপুৰ সমাজত প্ৰত্যক্ষভাৱে নহ'লেও পৰোভাৱে হ'লেও ইয়াৰ প্ৰভাৱ পৰিছে। আন আন প্ৰয়োগবাদীসকলৰ ভাৱধাৰাসমূহৰ ভিতৰত 'অভিজ্ঞতাৰ দ্বাৰা শিক্ষণ, কৰ্মৰ দ্বাৰা শিক্ষণ আদিৰ প্ৰভাৱ মহাত্মা গান্ধীৰ দাৰ্শনিক ধাৰত পৰিছিল'। গান্ধীজীয়ে প্ৰজেক্ট পদ্ধতিকো শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। সাম্প্ৰতিক সময়ৰ শিক্ষাত গান্ধীজীৰ শিক্ষাদৰ্শনৰ প্ৰভাৱ বহু পৰিমাণে বেছি।

গান্ধীজীয়ে শিক্ষা সম্বন্ধে কৈছিল- *"By education I mean an all round drawing out of the best in child and man body, mind and spirit."*

মহাত্মা গান্ধীয়ে শিক্ষাৰ বৃত্তিমুখী দিশটোকহে আঁকোৱালি লৈছিল। তেওঁ বিশ্বাস কৰিছিল যে ভাৰতবৰ্ষ এখন দুখীয়া দেশ। আমাৰ দেশত কেইটামানহে সমস্যা। সেয়েহে শিক্ষাৰ দ্বাৰা এই সমস্যাটোৰ সমাধান কৰিব লাগিব। শিক্ষাৰ দ্বাৰা শিশুসকলে নিজৰ ভৰিত নিজে থিয় দিব পাৰিব লাগিব। মহাত্মা গান্ধীয়ে কৈছিল— Education ought to be *for them a kind of insurance against unemployment*। বৃত্তিমুখী দিশৰ লগতে সংস্কৃতিও অতি প্ৰয়োজনীয়। বৃত্তিমুখী আৰু সংস্কৃতিৰ ধাৰণাৰ লগতে শিশুৰ চৰিত্ৰ গঠন শিক্ষাৰ এটি বিশেষ উদ্দেশ্য। শিশুসকল সুচৰিত্ৰবান হ'লে সৎ সাহসী হ'ব, মানৱপ্ৰেমী হ'ব আৰু অন্তৰৰ অধিকাৰী হ'ব। মহাত্মা গান্ধীয়ে কৈছে— *"Education without character and character devoid of purity would be no good."*

গান্ধীজীয়ে 'কৰ্মৰ মাজেৰে শিক্ষা' আৰু অভিজ্ঞতাৰ মাজেৰে শিক্ষা এই দুয়োটা ধাৰণাৰ পোষকতা কৰিছিল। নিবনুৱাৰ সমাজখনত 'কৰ্মৰ মাজেৰে শিক্ষা'ৰ ধাৰণাই শিক্ষাৰ্থীসকলক অৰ্থনৈতিক স্বাৱলম্বিতাৰ জ্ঞান দিব আৰু তেওঁলোকে শ্ৰমৰ মৰ্য্যদা বুজিব। মহাত্মা গান্ধীৰ জীৱন দৰ্শনৰ সম্পৰ্কত বহুতো চিন্তা-চৰ্চা হৈছে সমগ্ৰ পৃথিৱীতে। গান্ধীবাদী দৰ্শনে কমকৈ হ'লেও ভাৰতত প্ৰভাৱ পেলাইছে। এই মহান ব্যক্তিগৰাকীৰ অহিংসা, শ্ৰেণী সংগ্ৰাম, সাম্প্ৰদায়িক ঐক্য, ৰাষ্ট্ৰীয়তাবাদ আৰু আন্তঃৰাষ্ট্ৰীতাবাদ, আত্মনিৰ্ভৰশীলতা, নিবনুৱা সমস্যা সমাধান, গণতন্ত্ৰৰ ধাৰণা, অস্পৃশ্যতা বৰ্জন আদি বিভিন্ন দিশত লোৱা পদক্ষেপসমূহ আজিও সমাদৃত আৰু এইবিলাকৰ গুৰুত্বও দিনক দিনে বাঢ়িছে। হিংসা নীতি পৰিহাৰ কৰি সত্যাগ্ৰহৰ পথেদি স্বাধীনতা লাভৰ সপোন বাস্তৱত ৰূপায়িত নহ'লেও বৰ্তমান দেশৰ অশান্তি আঁতৰ কৰি শান্তি স্থাপনৰ একমাত্ৰ পথ মহাত্মা গান্ধীৰ শিক্ষা আৰু দৰ্শন বুলি ক'লেও ভুল কোৱা নহ'ব। শিক্ষাৰ যোগেদি সমাজব্যৱস্থাত কৰ্ম-সংস্কৃতিৰ আধাৰ স্থাপন কৰি যুৱ শ্ৰেণীক আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ প্ৰত্যাহ্বান গান্ধীবাদী পথেৰেহে সম্ভৱ হ'ব।♥

# মহৎ লোকৰ বাণী

*একমাত্ৰ শব্দই যে মানুহৰ প্ৰধান পুতলা আৰু সঁজুলি,*
*সেই কথা বিনা কাৰণত হোৱা নাই। শব্দৰ মাজত নিহিত*
*হৈ থকা অৰ্থ আৰু মূল্যবোধ অবিহনে মানুহৰ আন*
*সকলো পুতলা আৰু সঁজুলি মূল্যহীন হ'বলৈ বাধ্য।*

— লিৱিছ মামফ'ৰ্ড

# লা বা লাহা ঃ দক্ষিণ কামৰূপৰ মুখ্য ৰপ্তানিজাত সামগ্ৰী হ'ব পাৰে

কুলেন্দু কলিতা
স্নাতক তৃতীয় বৰ্ষ

আমাৰ এই অঞ্চলৰ সবহ সংখ্যকলোকে লাৰ বিষয়ে নাজানে অথবা অঞ্চলটোৰ অৰ্থনীতিত লায়ে কিমান গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কে অজ্ঞ। আমি লা বা লাহাক দা-নালৰ লগত সংলগ্ন কৰা আঠা হিচাপেই জানো যদিও লাৰ বহুল প্ৰয়োগ আছে। সেইবাবেই হয়তো আজিৰ পৰা দুশ বছৰ আগতে (১৮০৭-১৮১৪) লাই অসমৰ ৰপ্তানি বানিজ্যত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল ঃ

The Exports from Asam are about

| | |
|---|---|
| 10,000 mans of stick lac | Rs. 35,000 |
| Muga Silk, 65 mans | Rs. 11,350 |
| Muga Cloth, 75 mans | Rs. 17,500 |
| Manjistha or Indian maddar | Rs. 500 |
| Black Papper, 50 mans | Rs. 500 |
| Loug Pepper, 50 mans | Rs. 300 |
| Cotton with seed, 7000 mans | Rs. 35,000 |
| Ivory | Rs. 6,500 |
| Belt metal vessels | Rs. 1,500 |
| Iron hoes | Rs. 600 |
| Slaves, 100 | Rs. 2000 |
| Thaikol fruits, 50 mans | Rs. 150 |
| | Rs. 1,30,900 |

কালক্ৰমত বিভিন্ন কাৰকৰ বাবে লাৰ উৎপাদন ক্ৰমান্বয়ে হ্ৰাস পাই আহিবলৈ আৰম্ভ কৰে আৰু বৰ্তমান পৰিস্থিতি এনে হৈছেগৈ যে সকলো পক্ষৰ আওপকীয়া মনোভাৱৰ বাবে ঘৰুৱা ব্যৱহাৰৰ পিছত ৰাহি হোৱা লা যদিও অসমৰ বাহিৰলৈ যায়। ইয়াৰ ৰাজহ অসম চৰকাৰে নাপায়, ফলশ্ৰুতিত অসমত প্ৰকৃততে বৰ্তমান সময়ত কিমান লা উৎপাদন হয় তাৰ প্ৰকৃত তথ্য কাৰো হাতত নাই। ঘৰুৱা ব্যৱহাৰৰ ক্ষেত্ৰত বিশেষভাৱে, বস্ত্ৰশিল্পত প্ৰাকৃতিক ৰং হিচাপে ইয়াৰ উল্লেখযোগ্য ব্যৱহাৰ আছে বিশেষকৈ *Life Style Product* হিচাপে এৰীৰ সূতা/বস্ত্ৰত ৰং বোলোৱা কাপোৰৰ সমাদৰ বিদেশৰ বজাৰত উল্লেখযোগ্য। বিজয়নগৰৰ নৰমোহন দাস, বকোৰ গুলদস্তা আৰু অতি নগণ্য সংখ্যক ক্ষুদ্ৰ উদ্যোগীয়ে প্ৰকৃততে এই বজাৰৰ মাত্ৰ ৮-১০ শতাংশ পূৰ্ণ কৰিব পাৰে। লাৰ উৎপাদন ক্ৰমান্বয়ে কমি যোৱা কাৰকসমূহ হ'ল—

(ক) ৰজাঘৰীয়া পৃষ্ঠপোষকতা অবিহনে ক্ষুদ্ৰ অশিক্ষিত লা পালকৰ এখন বজাৰৰ বিশেষকৈ ৰপ্তানি বজাৰৰ অভাৱৰ ফলত চাহিদা হ্ৰাস আৰু ফলত ইয়াৰ মূল্য হ্ৰাস।

(খ) লা বনজ সম্পদৰ তালিকাভুক্ত হোৱাত ইয়াৰ পালক তথা বেপাৰীৰ ওপৰত বন বিভাগৰ কৰ্মচাৰীৰ অত্যাচাৰ।

(গ) উপৰোক্ত দুয়োটা কাৰকৰ বাবে উৎপাদিত লাৰ উচিত মূল্যৰ অভাৱ।

(ঘ) বৰ্তমান সময়ত সংকুচিত বননি তথা গছ-গছনি লগতে কিছু পৰিমাণে পৰিবেশৰ প্ৰভাৱ। দেখা গৈছে যোৱা ১০-১২ বছৰৰ ভিতৰত উৎপাদন প্ৰায় ৪০ শতাংশ কম হৈছে।

(ঙ) কৃষকসকল বিশেষকৈ নতুন চামৰ চহৰমুখী আৰু কৰ্মবিমুখ প্ৰৱণতাই এই শিল্পৰ চৰম অৱনতিৰ এটা কাৰক।

এনে পৰিস্থিতিত লাৰ কিছু দিশ বা লা সম্পৰ্কে আমি জনাটো প্ৰয়োজনীয় যাতে আমাৰ মাজৰ পৰা কোনোবা এজনে ব্যৱসায়ত প্ৰতিষ্ঠিত হ'লে লাৰ ৰপ্তানি বজাৰত প্ৰৱেশ কৰিব পাৰিব আৰু পৰিবেশৰ কোনো ক্ষতি নকৰাকৈয়ে ভাৰতবৰ্ষৰ বাবে বৈদেশিক মুদ্ৰা উপাৰ্জন কৰিব পাৰিব। লাই অসমৰ অন্য এটা গৌৰৱোজ্বল বুৰঞ্জী স্বাক্ষৰ বহন কৰিছে। পেৰিচত প্ৰদৰ্শিত ১৬শ শতিকাৰ শেষ ভাগৰ পৰ ১৮শ শতিকাৰ আৰম্ভণিৰ মাজৰ কালছোৱাৰ ভগৱান বিষ্ণুৰ অৱতাৰ যিটুকুৰা কাপোৰ সংৰক্ষিত সেই টুকুৰা কপোৰৰ *base* ৰং হ'ল ল আৰু কাপোৰখিনিৰ তৈয়াৰ কৰা স্থান হিচাপে চিনাক্ত কৰা হৈছে অসম *(Former AEDTA Collection, Paris, inv. no 3223)*। ৰঙ ক্ষেত্ৰত অতি উৎকৃষ্ট মানৰ বাবে বিখ্যাত অসমৰ লা, য'ৰ পৰা বহুকেইট ৰঙা ৰঙৰ *Shade* প্ৰস্তুত কৰা হয় আৰু স্থায়িত্ব কেইবা শতিকাযোৰা

*লাৰ খেতি কৰিবলৈ সাধাৰণতে সৰুজাতীয় গছ ব্যৱহাৰ কৰা হয় আৰু গছবোৰৰ মাজত দূৰত্ব ৰখা হয়। কিয়নো লাৰ উৎপাদন ভাল হ'বলৈ বতাহ মুকলি ভাৱে বলিব পৰা ঠাই হ'ব লাগে। বেছিভাগ লা পুহিবলৈ ব্যৱহাৰ কৰা গছৰ বয়স ৫-৮ বছৰ মানতহে উপযুক্ত হয়, কিন্তু ৰহৰ গছৰ ক্ষেত্ৰত ৩-৪ মাহ আৰু কুসুম গছৰ ক্ষেত্ৰত ১০ বছৰৰ বেছি হ'ব লাগে; যি গছ বা জোপোহা (host plant) ব্যৱহাৰ কৰা হয় তাৰ পুৰণি ঠানিবোৰ নিয়মীতভাৱে বছৰত এবাৰ বা দুবাৰ কাটিব লাগে, যাতে যথেষ্ঠ সংখ্যক নতুন ঠানি আহে। পৰম্পৰাগতভাৱে লা পালনৰ ক্ষেত্ৰত গছ এজোপাত স্থায়ীভাৱে লা পালন কৰা হয় (the trees are allowed to remain permanently infested) যাতে প্ৰত্যেক বাৰতেই যথেষ্ঠ সংখ্যক ঠানিত নতুনকৈ লাৰ ক্ষুদ্ৰ পৰজীৱিসমূহ বিয়পি পৰিব পাৰে আৰু নতুন ঠানিত লাৰ নতুন কলনি বনাব পাৰে।*

লা এবিধ পৰজীৱি। এ পৰজীৱিবোৰে প্ৰায় ৰঙচুৱ ডাঠ ইটা বৰণীয়া ধূনা জাতী আঠাৰে বিভিন্ন আকাৰ আবাস প্ৰজাতি অনুযায়ী গছ কোমল অথবা কিছু ডাঠ ঠানি বনাই লয় আৰু অতি ঘনকৈ বাস কৰে যদিও দু'ট আবাসস্থলীৰ মাজত যথেষ্ট দূৰত্ব থাকে। যদিও উত্তৰ-পূ ভাৰতত কেইবাটাও জাতৰ ল বাস কৰে তথাপিও ব্যৱসায়িক ভাৱে ৰঙ্গিনী আৰু চীনা ল *(Kerria Chinensis)* আমাৰ এই অঞ্চলত উল্লেখযোগ্য। ভাৰত অন্যৰাজ্যত য'ত অপৰ্য্যাপ্ত কুসুম গছ পোৱা যায় তেনে ঠাইত কুসুম লা হয়। যদিও আমি চীনা লা *(Kerria Chinensis)* হিচাবে যদি উল্লেখ কৰো প্ৰকৃততে আমাৰ হাবিত এই লা বনৰীয়া অৱস্থাত পো হয় অৰ্থাৎ ইয়াৰ প্ৰাকৃতিক ঘৰ ইয়াতে। (*Kerria Chinensis is abl to attack thick stems and canfeed on a variety of hos plants. This insects was already being farmed at th beginning of the 4th century AD in Annam; Chang Po Wu Lu describes lac insects being reared on 'branche planted in the ground', a method reminiscent of tha recorded as late as 1948 by Mahdihassam where plant of split pulse were grown by farmers in Assam. Afte two years, Kerria Chinensis was propagated on the as a unque agriculture crop. The species is not only cu*

*tivated but also lives wild and is collected in the valleys of Bhutan, in Assam, Myanmar and Thailand to Vietnam and Southern China (Yunnan)*

লাৰ খেতি কৰিবলৈ সাধাৰণতে সৰুজাতীয় গছ ব্যৱহাৰ কৰা হয় আৰু গছবোৰৰ মাজত দুৰত্ব ৰখা হয়। কিয়নো লাৰ উৎপাদন ভাল হ'বলৈ বতাহ মুকলি ভাৱে বলিব পৰা ঠাই হ'ব লাগে। বেছিভাগ লা পুহিবলৈ ব্যৱহাৰ কৰা গছৰ বয়স ৫-৮ বছৰ মানতহে উপযুক্ত হয়, কিন্তু ৰহৰ গছৰ ক্ষেত্ৰত ৩-৪ মাহ আৰু কুসুম গছৰ ক্ষেত্ৰত ১০ বছৰৰ বেছি হ'ব লাগে; যি গছ বা জোপোহা *(host plant)* ব্যৱহাৰ কৰা হয় তাৰ পুৰণি ঠানিবোৰ নিয়মীতভাৱে বছৰত এবাৰ বা দুবাৰ কাটিব লাগে, যাতে যথেষ্ঠ সংখ্যক নতুন ঠানি আছে।

পৰম্পৰাগতভাৱে লা পালনৰ ক্ষেত্ৰত গছ এজোপাত স্থায়ীভাৱে লা পালন কৰা হয় *(the trees are allowed to remain permanently infested)* যাতে প্ৰত্যেক বাৰতেই যথেষ্ঠ সংখ্যক ঠানিত নতুনকৈ লাৰ ক্ষুদ্ৰ পৰজীৱিসমূহ বিয়পি পৰিব পাৰে আৰু নতুন ঠানিত লাৰ নতুন কলনি বনাব পাৰে। নতুনকৈ অন্য গছত লাৰ খেতি কৰিবৰ বাবে ইতিমধ্যে থকা কণীযুক্ত (broodlac) বাহ বা (Colony) ৩০ চেঃমিঃ দীঘলকৈ কাটি যিজোপা গছ দিব বিচৰা হৈছে তাৰ কোমল ঠানিত বান্ধিব লাগে। এই কাম পৰজীৱি জন্ম হোৱাৰ ৮-১০ দিন আগত কৰিব লাগে। যেতিয়া এই পৰজীৱিবোৰে জন্ম লাভ কৰিব তেতিয়া ইয়াক বাহ দিয়া গছজোপাৰ বিভিন্ন ঠাইত প্ৰায় ১৫-২০ টা আগৰ সমান ডাঙৰ নতুন কলনি বনাব।

ফচলৰ বাবে লাৰ কলনি থকা ঠানিসমূহ কাটি ৰ'দত শুকাব লাগে আৰু এনেদৰে যদি বিক্ৰী কৰা হয় ই Sticklac নামে জনা যায়। বিভিন্ন জাতৰ ওপৰত নিৰ্ভৰ কৰি, ঠানিত লাগি থকা ধূনাজাতীয় লাসমূহ সহজে বা অলপ কষ্ট কৰি গছৰ ঠানিৰ আকাৰত সংগ্ৰহ কৰিলে ইয়াক 'Crudelac' হিচাপে জনা যায়। একেদৰে পানীত উতলাই লাখিনি একেলগে হেঁচা প্ৰয়োগ কৰি টুকুৰা আকাৰতকৰিলে ইয়াক 'Scale lac' হিচাবে জনা যায় আৰু এনে কৰিলে কিছু ৰং কণিকা *(Colorant)* নষ্ট হয়। উত্তৰ পূৱ ভাৰতৰ জনজাতীয় লোকসকলে এনেদৰে পানীত উতলাই ৰং নিষ্কাশন কৰে যদিও এই পদ্ধতিত যথেষ্ঠ *Colorant*ৰ অপচয় হয়। যদিহে ৰং নিষ্কাশন কৰিব বিচৰা হয় তেন্তে *Crude lac* খুন্দি গুড়া কৰিব লাগে আৰু অতি পাতল কলাখাৰত (ভীমকলৰ বাকলি উপযুক্ত) কম পৰিমাণৰ পানীত মিহলাই *(dissolved)* ল'ব লাগে আৰু পুনৰ এলাম মিহলাই উতলাব লাগে আৰু পানীখিনি শুকাই পেলাব লাগে। এই ৰং দীৰ্ঘদিন ধৰি সংৰক্ষণ কৰা সম্ভৱ আৰু ই *Lac Lac* নামে জনা যায় লগতে ইয়াৰ পৰা উৎকৃষ্ট ৰং পোৱা যায়। ৰঙৰ *Colorant* অকল লা পৰজীৱিৰ দেহত অথবা ইয়াৰ কণীতহে প্ৰচুৰ পৰিমাণে পোৱা হয়। এবিধ লাৰ ৰঙৰ বাবে কিমান উপযুক্ত সেইটো নিৰ্ভৰ কৰে পৰজীৱিৰ দেহ আৰু কণীৰ ওজন আৰু ধুনাজাতীয় বাহটোৰ ওজনৰ অনুপাতত। লা সংগ্ৰহ কৰাৰ সময়ত ৰঙৰ বাবে কৰিলে মাইকী পৰজীৱিৰ মৃত্যু হোৱাৰ আগত আৰু প্ৰথম পৰজীৱি মাকৰ পেটৰ পৰা ওলাই অহাৰ সময় উপযুক্ত।


*ৰঙ্গিনী আৰু কুসুমী- দুয়োবিধ লাৰ বছৰত দুটা Circle অথবা জীৱন চক্ৰ চলে। ৰঙ্গিনীৰ এই দুয়োটা জীৱনচক্ৰৰ নাম ক্ৰমে বৈশাসি (Oct-Jul) আৰু কাতিয়া (Jun-Oct)। কুসুমীৰ এই দুয়োটা জীৱনচক্ৰৰ নাম ক্ৰমে আঘোণী (Jun-Feb) আৰু জেঠুৱা (Jan-Jul)*

লাৰ ব্যৱহাৰৰ ক্ষেত্ৰখন অতি বহল। ৰংৰ বাহিৰেও ঔষধ, সুগন্ধি, আঠা, প্ৰসাধন সামগ্ৰী আদি বিভিন্ন ক্ষেত্ৰত ব্যৱহৃত হয় আৰু যেতিয়াই প্ৰাকৃতিক অথবা জৈৱিক সামগ্ৰীৰ কথা আহে তেতিয়া লাৰ উপাদানসমূহ অতি আৱশ্যকীয় অথবা অপৰিহাৰ্য্য হৈ পৰে। যিমানে বৰ্তমানৰ বিশ্ব পৰিবেশ অথবা স্বাস্থ্য সম্পৰ্কে সচেতন হৈছে যিমানেই লাৰ ব্যৱহাৰ অপৰিহাৰ্য্য হৈ পৰিছে আৰু বজাৰত সদায়েই যোগানৰ তুলনাত চাহিদা বহুগুণে বৃদ্ধি পাইছে। বৰ্তমান স্থানীয় বজাৰত এক কিলোগ্ৰাম লাৰ মূল্য *(Stick Lac) 600-900* টকা পৰ্য্যন্ত হয়।

লাৰ চিনাক্তকৰণৰ (প্ৰজাতি) বাবে লাৰ দৈহিক গঠনৰ বিষয়ে সম্যক জ্ঞান থকা উচিত। যিহেতু প্ৰত্যেক প্ৰজাতিৰে জীৱন চক্ৰৰ সময় বেলেগ বা host plant বেলেগ, গতিকে প্ৰজাতি নাজানিলে লাৰ খেতি কৰা প্ৰায় অসম্ভৱ, বিশেষকৈ ব্যৱসায়িক ভিত্তিত। এই সম্পৰ্কে বকোৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ শিক্ষা পৰিষদৰ এটা দলে বিস্তৃত অনুসন্ধান চলাই আছে; যদিও ইয়াৰ প্ৰতিবেদন সম্পূৰ্ণ হোৱা নাই তথাপিও প্ৰাৱন্তিক তথ্যৰ ভিত্তিত লাৰ জীৱনকালৰ সম্যক চিত্ৰখন তলত দিয়া ধৰণৰ—

ৰঙ্গিনী আৰু কুসুমী- দুয়োবিধ লাৰ বছৰত দুটা *Circle* অথবা জীৱন চক্ৰ চলে। ৰঙ্গিনীৰ এই দুয়োটা জীৱনচক্ৰৰ নাম ক্ৰমে বৈশাসি *(Oct-Jul)* আৰু কাতিয়া *(Jun-Oct)*। কুসুমীৰ এই দুয়োটা জীৱনচক্ৰৰ নাম ক্ৰমে আঘোণী (Jun-Feb) আৰু জেঠুৱা *(Jan-Jul)*।

প্ৰাপ্তবয়স্ক স্ত্ৰী লা (ৰঙ্গিনী-কুসুমী) ঃ প্ৰায় ৫ মিঃমিঃ দীঘল, ঘূৰণীয়া বা নাচপতি আকাৰৰ আৰু সম্পূৰ্ণৰূপে ডাঠ ৰঙা জুলীয়া পদাৰ্থৰে গঠিত। ই সম্পূৰ্ণৰূপে ধুনাজাতীয় *(Resin-likes substance)* আবৰণৰ মাজত পথালিকৈ সোমাই থাকে আৰু ইয়াৰ মূৰৰ অংশ গা-গছৰ (যি জোপাত ই পৰজীৱিৰূপে বাস কৰে) সংলগ্ন হৈ থাকে আৰু ই স্থিৰভাৱে থাকি গা-গছৰ ৰস শুহি লয়। ইয়াৰ গাত ভৰি, চকু আৰু পাখি নাথাকে মাত্ৰ সামান্য শুং এযোৰা দেখা যায়।



চাইনিজ লা *(Kerria Chinensis)*ৰো জীৱন চক্ৰ বছৰত দুটা যদিও কুসুমী ৰঙ্গিনীৰ দৰে সময়খিনি নিৰ্দিষ্ট নহয়। বছৰৰ প্ৰায় প্ৰত্যেক সময়তে বিশেষকৈ সেমেকা বতৰত বিভিন্ন স্তৰত দক্ষিণ কামৰূপ-মেঘালয়ৰ সীমামূৰীয়া অঞ্চলত দেখা যায়। কিন্তু মাইকী প্ৰাপ্তবয়স্ক লা'জনীৰ পৰা ইয়াক সহজে চিনাক্ত কৰা সম্ভৱ।

প্ৰাপ্তবয়স্ক মাইকী লা *(Kerria Chinensis)*-ঃ দেহাটো অন্য প্ৰজাতিতকৈ (ৰঙ্গিনী আৰু কুসুমী) যথেষ্ট ডাঙৰ *(Voluminous)* আৰু প্ৰায় ৭ মিঃমিঃ দীঘল, ঘূৰণীয়া বা নাচপতিৰ আকাৰৰ। *It can be distinguished from former two species by the spinoid tubercle that is often so long as to identify the species, the real needle like spine being set on a relatively blunt knob. Occasionally the anal tubercle is long enough also to oid identification.*

লাৰ বিভিন্ন ব্যৱহাৰৰ বাবে লাৰ প্ৰজাতি, host plant আৰু জীৱনচক্ৰৰ বিষয়ে জনাটো প্ৰয়োজন। বিশেষকৈ যদিহে লা বং বা Dyeৰ বাবে সংগ্ৰহ কৰা হয়। উদাহৰণস্বৰূপে, ৰঙা উজ্জ্বল বং পাবলৈ চাইনিজ লাৰ আগষ্ট-ছেপ্তেম্বৰত উৎপাদিতখিনি অতি উত্তম বুলি বিবেচিত হয় আৰু ৰঙৰ বাবে উপযুক্ত অৱস্থাত সংগ্ৰহ কৰা এনে লাৰ প্ৰতি কিলোগ্ৰামৰ মূল্য ২৪০০-২৬০০ টকা পৰ্য্যন্ত বকোত হয়। সঁচা অৰ্থত লাৰ যদিও এখন বিশাল বজাৰ আছে, আমাৰ অঞ্চলটো লা উৎপাদনৰ বাবে উপযুক্ত বুলি ভবা হয় তথাপিও লাৰ ব্যৱসায় বা ব্যৱসায়িক ভিত্তিত উৎপাদন কৰিবৰ বাবে লা সম্পৰ্কে সম্পূৰ্ণ জ্ঞানৰ প্ৰয়োজন।♥

*সহায় লৈ-*

1. *An Account of Assam by Francis Hamilton*
2. *Natural Dyes Sources, Tradition, Technology And Science by Dominique Cardon.*
3. *Historical information on the Lac Dyes and species of Lac (A report) by Chandan Keshab*
4. প্ৰাকৃতিক ৰঙৰ বুৰঞ্জী আৰু অসমৰ ভূমিকা- চন্দন কেশৱ।

# মহৎ লোকৰ বাণী

মানুহে নিজৰ অনুভূতিৰ লগত নিজৰ বিশ্বাস
আৰু ধ্যান- ধাৰণাক সংযুক্ত কৰিব পাৰিব
লাগিব। জীৱনত সুষমা আৰু সামঞ্জস্য অৰ্জন
কৰিবলৈ সেইটোৱেই বোধহয় একমাত্ৰ পথ

— এট্‌টি হিলছান